بِسۡمِ اللهِ الرَّحۡمٰنِ الرَّحِيۡمِ

খোতবা জুমা

সন্তুষ্টি আৰু সৰলতা সন্দৰ্ভত মহানবী (ছাঃ)-ৰ জীৱনাদৰ্শৰ এক ঈমান উদ্দীপক আলোচনা

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللَّهِ مِنَ الشَّيْطَانِ الرَّجِيمِ۔ بِسْمِ اللهِ الرَّحْمَنِ الرَّحِيمِ۔ الْحَمْدُ لِلَّهِ رَبِّ الْعَالَمِينَ۔ الرَّحْمَنِ الرَّحِيمِ۔ مَالِكِ يَوْمِ الدِّينِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِينُ۔ اهْدِنَا الصِّرَاطَ الْمُسْتَقِيمَ۔ صِرَاطَ الَّذِينَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلَا الضَّالِّينَ۔

ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে মছজিদ মোবাৰক, ইছলামাবাদ টিলফর্ড (ইউ,কে)ত ৩০ অক্টোবৰ ২০২৬ চনত প্রদান কৰা জুমাৰ খোতবাৰ সাৰাংশ

তাশ্বাহুদ, তাউয আৰু ছুৰা আল-ফাতিহা তিলাৱত কৰাৰ পিছত হুজুৰ আনোৱাৰ আইয়্যাদাহুল্লাহু তা'লা বিনাছৰিহিল আজীজে কৈছে:

মহানবী (ছাঃ)-ৰ সহজ-সৰল জীৱন আৰু সাধাৰণ জীৱন-যাপনৰ বিষয়ে আলোচনা চলি আছিল। যোৱা সপ্তাহত এই সন্দৰ্ভত তেখেত (ছাঃ)-ৰ খোৱা-বোৱাত থকা সৰলতা, খোৱা-বোৱাৰ পদ্ধতি আৰু তেখেত (ছাঃ)-ৰ সহজ-সৰল জীৱন-যাপনৰ মানদণ্ড কেনেকুৱা আছিল, সেই বিষয়ে বর্ণনা কৰা হৈছিল।

হজৰত মুছলেহ মাওউদ ৰাজিয়াল্লাহু তা'লা আনহুৱে কৈছে যে, মহানবী (ছাঃ)-ৰ প্রতিটো কামতেই এক সৰলতা আৰু অকৃত্রিমতাৰ ছাপ আছিল। যিসকল লোক সুস্বাদু খাদ্য খোৱাত অভ্যস্ত, তেওঁলোকে হয়তো ভাবিব যে ৰছুলুল্লাহ (ছাঃ)-এ উত্তম খাদ্য গ্রহণ কৰিছিল আৰু তেখেত (ছাঃ)-ৰ সন্মুখত ৰাজকীয় দস্তৰখান পাৰি দিয়া হৈছিল; কিন্তু তেওঁলোকে এই কথা জানি আচৰিত হ'ব যে বাস্তৱ ঘটনা ইয়াৰ বিপৰীত আছিল। যদি এফালে ৰছুলুল্লাহ (ছাঃ) সৰলতাৰ এক পূর্ণাংগ আদর্শ আছিল, তেন্তে আনফালে সহজ-সৰল জীৱন-যাপনৰ ক্ষেত্রতো তেখেত (ছাঃ) বিশ্ববাসীৰ বাবে এক চানেকি আছিল।

হুজুৰ আনোৱাৰে কৈছে যে, হজৰত আইশ্বা (ৰাঃ) এ নিজৰ ভাগিন উৰুৱাক কৈছিল যে, "হে মোৰ ভাগিন! আমি এটাৰ পিছত এটাকৈ নতুন জোন দেখিছিলোঁ, আনকি এনেদৰে তিনিটা নতুন জোন দেখা পাইছিলোঁ।" অর্থাৎ চন্দ্র মাহৰ দুমাহ পাৰ হৈ গৈছিল আৰু মহানবী (ছাঃ)-ৰ ঘৰত জুই নজ্বলিছিল। প্রশ্নকর্তাই সুধিলে, "তেন্তে আপোনালোকে কি খাইছিল?" হজৰত আইশ্বা (ৰাঃ) এ উত্তৰ দিলে যে পানী আৰু খেজুৰ খাইছিলো, আৰু ওচৰ-চুবুৰীয়া আনছাৰসকলে ছাগলীৰ গাখীৰ পঠিয়াই দিছিল।

আল্লাহ আল্লাহ! কিমান যে সহজ-সৰল জীৱন আছিল যে দুমাহ ধৰি ঘৰত জুইয়েই নজ্বলিছিল আৰু কেৱল খেজুৰ, পানী আৰু গাখীৰৰ ওপৰতেই নির্ভৰ কৰি জীৱন নির্বাহ কৰা হৈছিল। এই ইতিহাস দেখি মুছলমানসকলে লজ্জিত হোৱা উচিত। মুছলমানসকলৰ মাজতো এনে কিছুমান ধনী লোক আছে যিসকল আজিকালি এই খোৱা-বোৱাৰ বিলাসিতাৰ ৰোগত আক্রান্ত। তেওঁলোকৰ দেখাদেখিকৈ কম সামর্থ্য থকা লোকসকলেও অধিক খৰচ কৰিবলৈ চেষ্টা কৰে। হজৰত মুছলেহ মাওউদ (ৰাঃ)-এ কৈছে যে মুছলমানসকলৰ টকা-পইচা খোৱা-বোৱাতেই অধিক খৰচ হৈ যায় আৰু তেওঁলোক ঋণগ্রস্ত হৈ থাকে।

হুজুৰ আনোৱাৰে কৈছে যে, আজিকালি এই দাবী অধিক বৃদ্ধি পাইছে যে আমাৰ খোৱা-বোৱাৰ মানদণ্ড উন্নত নহয়। অথচ যিমানখিনি উপার্জন হয়, সিমানখিনিতেই জীৱন নির্বাহ কৰা উচিত। হুজুৰ আনোৱাৰ আইয়্যাদাহুল্লাহে কৈছে যে, ৰছুলুল্লাহ (ছাঃ) যদি এফালে সৰলতাৰ চানেকি আছিল, তেন্তে আনফালে তেখেতে বৈৰাগ্যবাদকো (ৰহবানিয়ত) অপছন্দ কৰিছিল। যদি উত্তমতকৈ উত্তম খাদ্যও আগবঢ়োৱা হৈছিল, তেখেতে সেয়াও গ্রহণ কৰিছিল। এনে নহয় যে আত্মনিগ্রহৰ বাবে খাদ্য খাবলৈ অস্বীকাৰ কৰিছিল। এই মানদণ্ডই তেখেত (ছাঃ)-ক আনসকলতকৈ শ্রেষ্ঠত্ব প্রদান কৰে, কিয়নো তেখেত (ছাঃ) সমগ্র বিশ্বৰ বাবে আগমন কৰিছিল, কোনো বিশেষ গোটৰ বাবে নহয়। সেয়েহে তেখেত (ছাঃ) পূর্ণাংগ হোৱাটো অনিবার্য আছিল। এফালে তেখেত (ছাঃ) সহজ-সৰল জীৱন-যাপনত চৰম উৎকর্ষৰ অধিকাৰী আছিল আৰু আনফালে পৱিত্র তথা উত্তম বস্তু ব্যৱহাৰ কৰাৰ পৰা বিৰত নাথাকিছিল; কিন্তু সাধাৰণতে তেখেত (ছাঃ)-এ সহজ-সৰলভাৱেই জীৱন নির্বাহ কৰিছিল আৰু এইবাবেই আহাৰ গ্রহণ কৰিছিল যাতে জীৱনৰ সম্পর্ক অটুট থাকে আৰু কাম কৰাৰ শক্তি লাভ হয়।

মহানবী (ছাঃ)-এ নিজৰ জীৱনত এই আদর্শও দেখুৱাই থৈ গৈছে যে তেখেতে সকলো ধৰণৰ উন্নত মানৰ খাদ্যও গ্রহণ কৰিছিল আৰু আনফালে সহজ-সৰল জীৱনৰ জৰিয়তে আমাৰ ধনী লোকসকলৰ বাবেও এক আদর্শ প্রতিষ্ঠা কৰি থৈ গৈছে, যিসকলৰ জীৱনৰ চূড়ান্ত উদ্দেশ্য কেৱল উন্নত খাদ্য আৰু উত্তম পোছাক-পৰিচ্ছদ হয়।

হুজুৰ আনোৱাৰ আইয়্যাদাহুল্লাহে কৈছে যে, ভাল খাদ্য গ্রহণ কৰা সন্দর্ভত এটা বর্ণনা আছে যে ৰছুলুল্লাহ (ছাঃ)-এ ছাগলীৰ কান্ধৰ মঙহ ভক্ষণ কৰি আছিল। হজৰত মছীহ মাওউদ আলাইহিছ ছালামে কৈছে যে, ৰছুলুল্লাহ (ছাঃ)-এ কটাৰীৰে মঙহ কাটি খাইছিল আৰু এই কাম এইবাবেই কৰিছিল যাতে উম্মতৰ কোনো অসুবিধা নহয়। বৈধ প্রয়োজনত এইদৰে খোৱাটো বৈধ, কিন্তু ইয়াৰ বাধ্যবাধকতা মানি চলা, কৃত্রিমতা প্রদর্শন কৰা আৰু আন পদ্ধতিসমূহক তুচ্ছ জ্ঞান কৰা নিষিদ্ধ। যদি আন জাতিৰ অন্ধ অনুকৰণ কৰিবলৈ ধৰে, তেন্তে মানুহে পৱিত্রতাও ত্যাগ কৰে। হজৰত মছীহ মাওউদ আলাইহিছ ছালামে কেতিয়াবা কাম কৰি থকা অৱস্থাত মেজত বহিও আহাৰ গ্রহণ কৰিছিল আৰু কেতিয়াবা মজিয়াত বহিও খাইছিল।

হুজুৰ আনোৱাৰ আইয়্যাদাহুল্লাহে কৈছে যে, মহানবী (ছাঃ)-ৰ বিবাহ আৰু ৱালিমা সন্দর্ভত এই বর্ণনা পোৱা যায় যে নবী কৰীম (ছাঃ)-এ হজৰত ছফিয়া (ৰাঃ)-ক স্বাধীন কৰি দিছিল আৰু তেখেতৰ সৈতে বিয়া পাতিছিল। তেখেতৰ এই মুক্তি লাভেই আছিল তেখেতৰ মোহৰাণা। সেই ভ্রমণৰ সময়তেই ৰছুল কৰীম (ছাঃ)-এ ৰাতিপুৱা দস্তৰখান পাৰি দিলে আৰু সকলোকে ক'লে যে যাৰ ওচৰত যি আছে সেয়া লৈ আহক। কোনোবাই খেজুৰ আনিলে, কোনোবাই ঘিউ আৰু কোনোবাই ছাতু লৈ আনিলে। তাৰ পিছত সেই সকলোবোৰ একেলগে মিহলাই সানিলে আৰু এয়াই আছিল ৰছুলুল্লাহ (ছাঃ)-ৰ ৱালিমা (বিবাহৰ ভোজ)।

হুজুৰ আনোৱাৰ আইয়্যাদাহুল্লাহে কৈছে যে, তেখেত (ছাঃ)-এ সকলোৰে নিমন্ত্রণ গ্রহণ কৰিছিল। হজৰত আনাছ (ৰাঃ) এ বর্ণনা কৰিছে যে এজন দর্জীয়ে ৰছুলুল্লাহ (ছাঃ)-ক নিমন্ত্রণ কৰিলে। তেখেতে কৈছিল যে ময়ো ৰছুলুল্লাহ (ছাঃ)-ৰ সৈতে সেই নিমন্ত্রণলৈ গৈছিলোঁ। দর্জীজনে ৰছুলুল্লাহ (ছাঃ)-ৰ সন্মুখত যৱৰ ৰুটী আৰু আঞ্জা আগবঢ়ালে, য'ত জাতিলাও আৰু শুকান মঙহৰ টুকুৰা আছিল। হজৰত আনাছ (ৰাঃ)-এ কৈছিল যে মই দেখিলোঁ যে তেখেত (ছাঃ)-এ বাটিটোৰ চাৰিওফালৰ পৰা জাতিলাওৰ টুকুৰাবোৰ বাছি বাছি খাই আছে। সেই দিন ধৰি ময়ো জাতিলাও ভাল পোৱা হ'লোঁ।

হজৰত মুছলেহ মাওউদ (ৰাঃ)-এ কৈছে যে জাতিলাও তেখেত (ছাঃ)-ৰ অতি প্রিয় আছিল। আকৌ এনেকুৱা সময়ো আহিছিল যেতিয়া তেখেত (ছাঃ)-ৰ ভাগ্যত কোনো খাদ্যই নাছিল। সেইজন ব্যক্তি নির্বোধ যিয়ে কয় যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)-এ সুস্বাদু মঙহ কিয় খাইছিল, যিয়ে কয় যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)-এ উত্তম আৰু ৰাজকীয় চৰবত কিয় পান কৰিছিল, উত্তম বস্তু কিয় খাইছিল। কিয়নো সি এইটো নাচায় যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)-এ অনাহাৰেও দিন কটাইছিল আৰু নিজৰ পেটত টঙালিও বান্ধিছিল। তেখেত (ছাঃ)-ৰ জীৱনত এনেকুৱা দিনো আহিছিল যে এগৰাকী দুখীয়া মহিলাই তেখেত (ছাঃ)-ৰ ঘৰলৈ ভিক্ষা মাগিবলৈ আহিছিল; হজৰত আইশ্বা (ৰাঃ)-এ কৈছে যে সেইদিনা আমাৰ ঘৰত একোৱেই নাছিল আৰু বিচৰাৰ পিছত

মাত্র এটা খেজুৰ পোৱা গৈছিল। সেই মহিলাগৰাকীয়ে সেই খেজুৰটো দুটুকুৰা কৰি নিজৰ দুয়োগৰাকী জীয়েকক ভগাই দিলে। হজৰত আইশ্বা ৰাজিয়াল্লাহু তা'লা আনহাই এই ঘটনাটোৰ বিষয়ে ৰছুলুল্লাহ (ছাঃ)-ৰ ওচৰত উল্লেখ কৰিলে। তেখেত (ছাঃ)-এ ক'লে যে যদি কাৰোবাৰ ঘৰত দুজনী ছোৱালী থাকে আৰু তেওঁ সিহঁতক উত্তমভাৱে লালন-পালন কৰে, তেন্তে আল্লাহে তেওঁৰ বাবে জান্নাত অৱধাৰিত (ৱাজিব) কৰি দিয়ে।

হুজুৰ আনোৱাৰ আইয়্যাদাহুল্লাহে কৈছে যে, যেতিয়া কোনোবাই ৰছুলুল্লাহ (ছাঃ)-ৰ জীৱনাদর্শ (ছীৰত) শুনে বা পঢ়ে, তেতিয়া তাত উল্লেখ থকা প্রতিটো ঘটনাতেই প্রশিক্ষণ, প্রজ্ঞা আৰু উপদেশৰ বহুতো দিশ দেখিবলৈ পোৱা যায়, আৰু এই বর্ণনাটোতো আমি এয়াই দেখিবলৈ পাওঁ। হুজুৰ আনোৱাৰ আইয়্যাদাহুল্লাহে কৈছে যে, 'দিবাচা তফছীৰুল কোৰআন'ত হজৰত মুছলেহ মাওউদ (ৰাঃ)-এ তেখেতৰ জীৱনাদর্শ বর্ণনা কৰি কৈছে যে খোৱা-বোৱাৰ ক্ষেত্রত তেখেত (ছাঃ)-এ সৰলতাৰ প্রতি লক্ষ্য ৰাখিছিল। কেতিয়াবা নিমখ বেছি হ'লে বা একেবাৰে নহ'লে নাইবা খাদ্য ভালদৰে সিজোৱা নহ'লে তেখেতে কেতিয়াও অসন্তুষ্টি প্রকাশ নকৰিছিল। যিমানদূৰ সম্ভৱ হৈছিল তেনে খাদ্য খায়েই ৰান্ধনীগৰাকীক মনোকষ্ট পোৱাৰ পৰা বচাই ৰাখিছিল, আৰু যদি খাবলৈ মন নগৈছিল তেন্তে হাত কোঁচাই লৈছিল, কিন্তু সেয়া প্রকাশ নকৰিছিল। যেতিয়া কোনো বস্তু আহিছিল, তেতিয়া ছাহাবীসকল (ৰাঃ)-ৰ মাজত ভগাই খাইছিল। এবাৰ খেজুৰ আহোঁতে ছাহাবীসকল (ৰাঃ)-ৰ মাজত সাতটাকৈ খেজুৰ ভগাই দিছিল।

হজৰত আইশ্বা (ৰাঃ)-এ বর্ণনা কৰিছে যে মই ৰছুল কৰীম (ছাঃ)-ক কেতিয়াও গালি-গালাজ কৰা দেখা নাই আৰু তেখেত (ছাঃ)-ৰ বাবে কেতিয়াও কোনো কাপোৰ ভাঁজ কৰি থোৱা হোৱা নাছিল। অর্থাৎ এযোৰেই কাপোৰ আছিল, ভাঁজ কৰি থ'বলৈ আন এযোৰ কাপোৰ নাছিল। কাপোৰ ধোৱাটো জৰুৰী হ'লে তেনেকৈয়ে ধুই বাহিৰলৈ ওলাই গৈছিল যে তাত পানীৰ দাগো দেখা গৈছিল।

এয়া সৰলতাৰ এনে এক চানেকি যিটো কোনো সম্ভ্রান্ত বা সামর্থ্যৱান লোকে প্রদর্শন কৰিব নোৱাৰে আৰু কেতিয়াও কোনেও প্রদর্শন কৰা নাই। হজৰত ইবনে উমৰ (ৰাঃ)-ৰ পৰা বর্ণিত আছে যে হজৰত উমৰ (ৰাঃ)-এ উতাৰিদ তামীমী নামৰ লোকজনক বজাৰত এখন আঁচ থকা ৰেচমী কাপোৰ বিক্রী কৰি থকা দেখিছিল। সেই ব্যক্তিজন ৰজাসকলৰ ওচৰলৈ গৈ পুৰস্কাৰ লাভ কৰিছিল। ইয়াকে দেখি হজৰত উমৰ (ৰাঃ)-এ কৈছিল "হে আল্লাহৰ ৰছুল (ছাঃ)! মই উতাৰিদক এনেকুৱা কাপোৰ বিক্রী কৰি থকা দেখিছোঁ। যেতিয়া কোনো প্রতিনিধি দল আপোনাৰ সন্মুখত উপস্থিত হয়, তেতিয়া সেই কাপোৰ পিন্ধিলে ইয়াৰ এক ভাল প্রভাৱ পৰিব," অথবা তেখেতে কৈছিল যে জুমাৰ দিনা সেয়া পিন্ধিব পাৰে। ৰছুলুল্লাহ (ছাঃ)-এ কৈছিল যে এই দুনিয়াত ৰেচম সেইজনেই পিন্ধে যাৰ আখিৰাতত (পৰকালত) কোনো অংশ নাই।

এই ঘটনাসমূহ উল্লেখ কৰাৰ পিছত হজৰত মুছলেহ মাওউদ (ৰাঃ) এ কৈছে যে পোছাক-পৰিচ্ছদৰ ক্ষেত্রত ৰছুল কৰিম (ছাঃ)-এ ইমান সৰলতা অৱলম্বন কৰিছিল যে প্রকৃততে এই কথাবোৰ পঢ়িলে মোৰ লাজ লাগে। নিঃসন্দেহে এতিয়া পৰিস্থিতি সলনি হৈছে, কিন্তু তথাপিও এই ঘটনাবোৰ পঢ়িলে লাজ লাগে। যদি পোছাকৰ পার্থক্যখিনি বাদো দিওঁ, তথাপিও ৰছুল কৰিম (ছাঃ)-ৰ জীৱন অত্যন্ত সহজ-সৰল আছিল আৰু ইয়াৰ অবিহনে বিশ্বৰ উন্নতিৰ ব্যৱস্থা হ'ব নোৱাৰিলেহেঁতেন।

হজৰত ছামুৰা বিন জুনদুব (ৰাঃ)-এ বর্ণনা কৰিছে যে ৰছুল কৰীম (ছাঃ)-এ কৈছে: বগা কাপোৰ পিন্ধিবা, কিয়নো ই অধিক পৱিত্র আৰু অধিক উত্তম। ইয়াৰ দ্বাৰাই তোমালোকৰ মৃতকক কাফন পিন্ধাবা। এটা বর্ণনাত আছে যে ৰছুলুল্লাহ (ছাঃ)-এ কৈছে, কোনো ব্যক্তিয়ে পেটতকৈ অধিক বেয়া পাত্র ভর্তি কৰা নাই। আদম সন্তানৰ বাবে কেইটামান গ্রাসেই যথেষ্ট যিয়ে তেওঁৰ কঁকাল পোন কৰি ৰাখে। অর্থাৎ পেটো এটা পাত্র, ইয়াক ভর্তি কৰি গৈ থাকিলে ইয়াত কেৱল বিজুতিহে সৃষ্টি হৈ থাকিব। তেখেতে কৈছে যে পেটৰ এক তৃতীয়াংশ খাদ্যৰ বাবে ৰাখা, এক তৃতীয়াংশ পানীৰ বাবে আৰু এক তৃতীয়াংশ উশাহ-নিশাহৰ বাবে খালী ৰাখা। অর্থাৎ অলপ ভোক থাকোঁতেই আহাৰ গ্রহণ কৰা সমাপ্ত কৰা।

পেটৰ সমস্যাত ভোগা লোকসকলক চিকিৎসকসকলে এইটোৱেই পৰামর্শ দিয়ে যিটো আজিৰ পৰা চৈধ্যশ বছৰ পূর্বে ৰছুলুল্লাহ (ছাঃ)-এ দিছিল। হজৰত মুছলেহ মাওউদ (ৰাঃ)-এ কৈছে যে সহজ-সৰল জীৱনৰ বাবে মানুহ কষ্ট সহ্য কৰাত অভ্যস্ত হ'ব আৰু কষ্টকৰ দিন সত্ত্বেও তেওঁলোকে কষ্ট অনুভৱ নকৰিব। তেখেতে কৈছে যেনেকৈ আজিকালি আমি দেখি আছোঁ যে ইউৰোপৰ দৃষ্টিত যিবোৰ সমস্যা বা কষ্ট, সেইবোৰ আমাৰ দৈনন্দিন জীৱনৰ এক সাধাৰণ অভ্যাস। যিবোৰক তেওঁলোকে বিপদ আৰু দুর্যোগ বুলি ভাবে, সেইবোৰ আমাৰ দৃষ্টিত সুখ আৰু আৰাম। সেয়েহে সেই কষ্টবোৰৰ বিষয়ে আমি গমেই নাপাওঁ। হজৰত মুছলেহ মাওউদ (ৰাঃ)-এ কৈছে যে কিছুদিন পূর্বে কেইজনমান লোকে মোক কৈছিল যে কাপোৰ পোৱাটো কঠিন হৈ পৰিছে; অথচ এজন মোমিনৰ অৱস্থা তো এনেকুৱা হয় যে কাপোৰ পালে পিন্ধে, আৰু নাপালে পুৰণি কাপোৰত জোৰা-টাপলি মাৰি দিন কটায়। ৰছুল কৰীম (ছাঃ)-ৰ কাপোৰত তালি (জোৰা-টাপলি) লগোৱা আছিল। আমি কি তেখেততকৈ ডাঙৰ নেকি যে আমি আমাৰ কাপোৰত জোৰা-টাপলি লগাব নোৱাৰোঁ?

হুজুৰ আনোৱাৰ আইয়্যাদাহুল্লাহে কৈছে যে আজিকালিৰ বিশ্বত সমস্যাৰ মাজত এইটোৱেই হাহাকাৰ উঠিছে যে এইটো পোৱা নাযায়, সেইটো পোৱা নাযায়; আৰু যদি বিশ্বযুদ্ধ আৰম্ভ হৈ যায় তেন্তে নাজানো পৰিস্থিতি আৰু কিমান অধিক শোচনীয় হ'ব। মই আগতেও বহুবাৰ কৈছোঁ যে ক্রমবর্ধমান যুদ্ধৰ পৰিস্থিতি সৃষ্টি হৈ গৈ আছে আৰু যদি অধিক যুদ্ধ হয়, তেন্তে ইউৰোপ আৰু সমগ্র বিশ্বই খাদ্যৰ দিশৰ পৰা এক কঠিন সময়ৰ মাজেৰে পাৰ হ'ব লাগিব।

হজৰত মুছলেহ মাওউদ (ৰাঃ)-এ সেই সময়ৰ ভাৰতবর্ষৰ উদাহৰণ দিছে, কিন্তু আফ্রিকা আৰু কম উন্নত দেশসমূহত এনে অৱস্থা যে তেওঁলোকে সাধাৰণ খাদ্য পালেও অতিশয় সুখী হয়। সেই লোকসকলে যুদ্ধৰ পৰিস্থিতি সহ্য কৰিব পাৰিব, কিন্তু ইউৰোপ আৰু এই উন্নত দেশসমূহে সহ্য কৰিব নোৱাৰিব আৰু এই পৰিস্থিতিয়ে তেওঁলোকক অত্যন্ত বিচলিত কৰি তুলিব। গতিকে আমিও নিজৰ অৱস্থাসমূহ নিৰীক্ষণ কৰি থকা উচিত আৰু মনত সন্তুষ্টি (অল্পতে তুষ্ট থকাৰ গুণ) সৃষ্টি কৰা উচিত। সহজ-সৰল জীৱন যাপন কৰিবলৈ চেষ্টা কৰা উচিত। ৰছুলুল্লাহ (ছাঃ)-ৰ আদর্শ আৰু সেই সময়ছোৱাক সন্মুখত ৰখা উচিত। যদি উত্তম বস্তু বা খাদ্য পোৱা যায়, তেন্তে নিশ্চয় খাওক। যদি ভাল বস্তু পোৱা যায়, তেন্তে নিশ্চয় পিন্ধক। কিন্তু সেইবোৰৰ ওপৰত নির্ভৰশীল হৈ পৰা আৰু যদি পোৱা নাযায় তেন্তে 'মৰি গ'লোঁ' বুলি হাহাকাৰ কৰাটো ভুল কথা। যি কি নহওক, এই দোৱাও কৰা উচিত যাতে আল্লাহ তা'লাই বিশ্বখনক যেন এই বিপদসমূহৰ পৰা ৰক্ষা কৰে। নিজৰ অহংকাৰৰ বাবে এওঁলোকে ধ্বংসৰ গাঁতত পৰিবলৈ চেষ্টা কৰি আছে। যদি এনে পৰিস্থিতিয়েই অব্যাহত থাকে তেন্তে মহাযুদ্ধ (বিশ্বযুদ্ধ) নিশ্চিত আৰু তেতিয়া সিহঁতৰ ধ্বংসও নিশ্চিত। আনৰ সম্পত্তি আৰু মাটি দখল কৰাৰ পৰিৱর্তে এই লোকসকলে নিজৰ জনসাধাৰণৰ সেৱা কৰা উচিত। আল্লাহ তা'লাই আমাকো পুণ্যৰ কামত অবিচল হৈ থকাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 30 Oct 2026

Nazarat Nashr-O-Ishaat Qadian